# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-11-2025
**Time :** 0900 Hrs.

## *Assamese Morning Bulletin*
## HEADLINES

১।	আজি পহিলা মাঘ। ৰাজ্যৰ বিভিন্ন ধৰ্মীয় স্থানত ভক্তপ্ৰাণ ৰাইজৰ সমাগম। বৰপেটাত আজি মাঘ বিহু।

২।	মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ আজি ধুবুৰী আৰু চিৰাং জিলাত মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণ।

৩।	পুৱা ১১ বজাত নৱগ্ৰহ শ্মশানত প্ৰথিতযশা সাংবাদিক, প্ৰান্তিক আলোচনীৰ সম্পাদক প্ৰদীপ বৰুৱাৰ শেষকৃত্য।

৪।	আজি ৭৮ সংখ্যক সেনা দিৱস। প্ৰথমবাৰলৈ শিবিৰ এলেকাৰ বাহিৰত সেনা দিৱসৰ পেৰেড।

**আৰু**

৫।	ভাৰতৰ বিৰুদ্ধে এদিনীয়া শৃংখলাৰ দ্বিতীয়খন খেলত ৭ উইকেটত জয়লাভেৰে নিউজিলেণ্ডৰ সমতা স্থাপন।

০০০০০০০

আজি পহিলা মাঘ। এই উপলক্ষে ৰাজ্যৰ বিভিন্ন মঠ-মন্দিৰ, নামঘৰকে ধৰি ধৰ্মীয় স্থানসমূহত ভক্তপ্ৰাণ ৰাইজৰ ভিৰ পৰিলক্ষিত হৈছে। ৰাজ্যৰ বিভিন্ন ঠাইত আজি ভোগালী বিহুৰ অন্তিম দিন হিচাপে পালন কৰা হৈছে। ভোগৰ উৎসৱৰ সৈতে সংগতি ৰাখি পৰম্পৰাগত খেল-ধেমালিৰো আয়োজন কৰা হৈছে।

**উত্তৰ গুৱাহাটীৰ** ঐতিহাসিক ৰংমহলত মাঘ বিহু উপলক্ষে কাবাডী, ৰছি টনা, দৌৰ, টেকেলি ভঙা, মিঠাতেল সানি কলগছত উঠাৰ দৰে প্ৰীতিমূলক খেল-ধেমালিৰ আয়োজন কৰা হয়।

**গোৱালপাৰাৰ** ৰাভা অধ্যুষিত অঞ্চলসমূহকে ধৰি দুধনৈ, কৃষ্ণাই, ধূপধৰা আদি সকলোতে ভোগৰ উৎসৱ উপলক্ষে আনন্দ মুখৰ পৰিৱেশে বিৰাজ কৰিছে। গোৱালপাৰা চহৰৰ শাস্ত্ৰী নগৰত কালিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে ভোগালী বিহু উদযাপন কৰা হৈছে। ৰাভা জনগোষ্ঠীৰ ৰীতি অনুযায়ী জিলাখনৰ বিভিন্ন প্ৰান্তত সমজুৱাভাবে মাহ-কৰাই আৰু পিঠা পনা ভগোৱা হয়। জনগোষ্ঠীটোৰ লোকসকলে মেজি জ্বলোৱাৰ পাছত বিহুৰ দিনা পুৱা ঘৰৰ পৰা অনা পাৰম্পৰিক খাদ্য বস্তু হিংসা বা আখেজ দূৰ কৰাৰ কামনাৰে এনেদৰে ভগাই লয়।

**নগাঁও** জিলাৰ নেহৰুবালিত কালিৰে পৰা ছদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা ১১৩ সংখ্যক ভোগালী বিহু উৎসৱৰ সৈতে সংগতি ৰাখি গ্ৰন্থ উন্মোচন, জ্যেষ্ঠ নাগৰিকক সম্বৰ্ধনা আৰু শিশুসকলৰ মাজত চিত্ৰাংকনৰ লগতে বিভিন্ন খেল-ধেমালিৰ প্ৰতিযোগিতাৰো আয়োজন কৰা হয়।

**কাৰ্বি আংলং** জিলাতো ভোগালী বিহুৰ উছাহ অব্যাহত আছে। পৰম্পৰাগত ৰীতি অনুযায়ী কালি জিলাখনৰ ৰাইজে সমূহীয়াভাৱে অগ্নি সেৱা কৰাৰ লগতে ডিফু ক্লাবৰ উদ্যোগত প্ৰীতি চাহ মেলৰ আয়োজন কৰা হয়। কণ কণ শিশুসকলৰ মাজত বিভিন্ন খেল-ধেমালিও অনুষ্ঠিত হয়।

**শিৱসাগৰ**তো আৰক্ষী ছাউনীত কৰ্তব্যৰত আৰক্ষীসকলে কামৰ দায়বদ্ধতাৰ মাজতে পৰম্পৰাগত ৰীতি-নীতি পালন কৰি ভোগালী বিহুৰ উছাহত অংশগ্ৰহণ কৰে।

সত্ৰ পীঠ **মাজুলী**তো শ্ৰীশ্ৰীদক্ষিণপাট, উত্তৰ কমলাবাৰী সত্ৰ, গড়মূৰ, আউনীআটীৰ দৰে সত্ৰসমূহৰ উদাসীন ভকত বৈষ্ণৱসকলেও পৰম্পৰা ৰক্ষা কৰি মেজি জ্বলাই ভোগালী বিহু উদযাপন কৰে। একেদৰে উত্তৰ মাজুলীৰ মিচিং জনগোষ্ঠীয় লোকসকলেও বোপা-ককাৰ দিনৰ ৰীতি-নীতি পালন কৰি ভোগৰ উৎসৱত অংশগ্ৰহণ কৰে।

একেদৰে **ডিব্ৰুগড়** জিলাতো বিপুল উৎসাহেৰে মাঘ বিহু পালন  কৰা হয়। জিলাখনৰ মটক জনগোষ্ঠীৰ প্ৰধান অঞ্চলসমূহত জনগোষ্ঠীটোৰ পৰম্পৰা অনুযায়ী কালি দিনৰ ভাগত ৰাজহুৱা ভোজৰ আয়োজন কৰা হয়। আজি জিলাখনৰ ক্ষেত্ৰ বিশেষে বুঢ়ামেজি বা মতামেজী জ্বলোৱা হয়।

**বৰপেটা** জিলাত কালিৰে পৰা সত্ৰকেন্দ্ৰিক পৰম্পৰাৰে বিহু পালন কৰা হৈছে। বৰপেটা আৰু ইয়াৰ সমীপৱৰ্তী স্থানসমূহত কালি উৰুকা তথা স্থানীয় ভাষাত **গাতা ৰখা** উদযাপন কৰাৰ পাছত আজি পহিলা মাঘৰ দিনটোত মেজি জ্বলোৱা হৈছে। এই সন্দৰ্ভত জিলাখনৰ পৰা আমাৰ সংবাদদাতা অৰূপজ্যোতি মহন্ত-`

**ভইচ কাষ্ট  (অৰূপজ্যোতি মহন্ত)**

**ধুবুৰী, নলবাৰী, মানকাচৰ** আৰু **বৰাক** উপত্যকাৰ জিলাকেইখনতো ভোগালী বিহুৰ আনন্দ মুখৰ পৰিৱেশৰ বাতৰি আমাৰ সংবাদদাতাই প্ৰেৰণ কৰিছে।

মাঘ বিহু উপলক্ষে পহিলা মাঘত মৰিগাঁও জিলাৰ আঁহতগুৰিত অনুষ্ঠিত ম'হ যুঁজ এইবাৰ উদযাপন নহয় বুলি উদযাপন সমিতিয়ে জানিবলৈ দিছে। আকাশবাণীৰ মৰিগাঁৱৰ সংবাদদাতাক জানিবলৈ দিয়া অনুযায়ী উচ্চতম ন্যায়ালয়ৰ ম'হ যুঁজৰ নিষেধাজ্ঞা পৰিহাৰ কৰিবলৈ অসম বিধানসভাই প্ৰস্তাৱ গ্ৰহণ কৰি ৰাষ্ট্ৰপতিলৈ অনুৰোধ পত্ৰ প্ৰেৰণ কৰিছিল যদিও এই সন্দৰ্ভত এতিয়ালৈকে কোনো নিৰ্দেশ নহাত চলিত বছৰত ম'হ যুঁজ বাতিল কৰা হৈছে।

oooooooo

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা আঁচনিৰ অধীনত ১০ হাজাৰ টকাকৈ প্ৰাৰম্ভিক মূলধন বিতৰণৰ প্ৰক্ৰিয়া ৫ ফেব্ৰুৱাৰীৰ ভিতৰত সম্পূৰ্ণ হ'ব বুলি প্ৰকাশ কৰিছে। ডিফুত কালি ২৫ হাজাৰ মহিলাৰ মাজত মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে এই মন্তব্য কৰে।

মুখ্যমন্ত্ৰী ড০ শৰ্মাই আজি ধুবুৰী জিলাৰ বিলাসীপাৰা আৰু চিৰাং জিলাৰ বিজনীত আঁচনিখনৰ চেক বিতৰণ কৰিব। ইয়াৰে ধুবুৰীৰ বিলাসীপাৰা বিধানসভাৰ অধীনৰ বিলাসীপাৰা ইন্দ্ৰ নাৰায়ণ খেলপথাৰত ১৮ হাজাৰৰো অধিক আৰু বিজনী জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰত প্ৰায় ২০ হাজাৰ হিতাধিকাৰীক এই প্ৰাৰম্ভিক পুঁজি প্ৰদান কৰা হ'ব। দুয়োটা স্থানতেই সকলো প্ৰস্তুতি সম্পূৰ্ণ হোৱা বুলি সংশ্লিষ্ট প্ৰশাসনে জানিবলৈ দিছে।

oooooooo

সমাগত বিধানসভা নিৰ্বাচনৰ বাবে ৰাজ্যৰ ৰাজনৈতিক দলসমূহে ব্যাপক প্ৰস্তুতি চলাই আছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি কাৰ্বি আংলং জিলাত মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণ কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ পাছত দলীয় কৰ্মকৰ্তাসকলৰ সৈতে এখন নিৰ্বাচনী প্ৰস্তুতিৰ বৈঠকত মিলিত হয়। বৈঠকখনত হোৱা আলোচনা তথা আসন্ন নিৰ্বাচনক লৈ মুখ্যমন্ত্ৰীগৰাকীয়ে সাংবাদিকৰ আগত এনেদৰে কয়—-

***ঃ বাইট ঃ***

oooooooo

অসমৰ প্ৰথিতযশা সাংবাদিক, বিশিষ্ট লেখক, প্ৰান্তিক আলোচনীৰ সম্পাদক প্ৰদীপ বৰুৱাৰ নশ্বৰ দেহ আজি পুৱা চিকিৎসালয়ৰ পৰা তেওঁৰ বাসভৱনলৈ অনা হয়। গুণগ্ৰাহীসকলে তেওঁৰ বাসগৃহতে, প্ৰয়াত সাংবাদিক, সাহিত্যিক গৰাকীক শ্ৰদ্ধা তৰ্পন কৰিব পাৰিব বুলি পৰিয়ালৰ তৰফৰ পৰা জানিবৰ পৰা গৈছে।  পুৱা ১১ বজাত নৱগ্ৰহ শ্মশানত তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হ'ব। গুৱাহাটীৰ ডাউন টাউন হাস্পতালত বাৰ্ধক্যজনিত কাৰণত কালি দেহাৱসান ঘটা প্ৰদীপ বৰুৱাৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৮৭ বছৰ।

১৯৩৮ চনত ডিব্ৰুগড়ত জন্মলাভ কৰা প্ৰদীপ বৰুৱাই গুৱাহাটীৰ ডনবস্কো বিদ্যালয়ৰ পৰা স্কুলীয়া শিক্ষা গ্ৰহণ কৰে আৰু কটন কলেজৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰে। সিংহপুৰুষ ৰাধাগোবিন্দ বৰুৱাৰ কণিষ্ঠ পুত্ৰ বৰুৱাই পিতৃৰ সৈতে ট্ৰিবিউন গোষ্ঠী আৰু সাহিত্য প্ৰকাশনৰ সৈতে জড়িত হৈছিল। অসম আন্দোলনৰ জটিল পৰিস্থিতিৰ মাজতে ৰাজ্যৰ জাতীয় জীৱনৰ গুৰি ধৰা এটা সাহিত্যিক চেতনা সৃষ্টি কৰি ১৯৮১ চনৰ পহিলা ডিচেম্বৰৰ পৰা তেওঁ প্ৰখ্যাত সাহিত্যিক ভৱেন্দ্ৰ নাথ শইকীয়াক মুখ্য সম্পাদক হিচাপে লৈ প্ৰান্তিক আলোচনীৰ প্ৰকাশ আৰম্ভ কৰে। বিগত ৪৫ বছৰে আলোচনীখনে ৰাজ্যৰ জাতীয় জীৱনৰ প্ৰাণ প্ৰৱাহ হিচাপে কাম কৰি আহিছে। ড০ ভৱেন্দ্ৰ নাথ শইকীয়াৰ মৃত্যুৰ পাছৰে পৰা ২২ বছৰ ধৰি প্ৰয়াত বৰুৱাই প্ৰান্তিকৰ সম্পাদক আৰু প্ৰকাশক হিচাপে গুৰুভাৰ বহন কৰি আহিছিল। অসমীয়া সাহিত্য আৰু সাংবাদিকতালৈ আগবঢ়োৱা অৱদানৰ বাবে তেওঁ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য বঁটাকে প্ৰমুখ্য কৰি বহুকেইটা বঁটা লাভ কৰিছিল। ২০২৪ বৰ্ষত তেওঁলৈ অসম জাতীয় বিদ্যালয়ৰ শৈক্ষিক আৰু আৰ্থসামাজিক ন্যাসে অসম জাতীয় বিদ্যালয় সন্মান আগবঢ়োৱাৰ লগতে তেওঁৰ জীৱন ভিত্তিক তথ্য চিত্ৰ প্ৰান্তিক নিৰ্মাণ কৰিছিল। ২০১৮ চনত তেওঁৰ আত্মজীৱনী স্বগতোক্তি প্ৰকাশ পাইছিল। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰবীণ সাংবাদিকগৰাকীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। তেওঁ পত্নী মায়া বৰুৱা আৰু এগৰাকী কন্যাক ইহসংসাৰত এৰি থৈ যায়।

০০০০০০০

জয়পুৰত আজি ৭৮ সংখ্যক সেনা দিৱসৰ পেৰেড অনুষ্ঠিত হ'ব। এইবাৰৰ সেনা দিৱস উদযাপনে বিশেষ তাৎপৰ্য বহন কৰিছে কাৰণ প্ৰথমবাৰৰ বাবে শিবিৰ এলেকাৰ বাহিৰত সেনা দিৱসৰ পেৰেড অনুষ্ঠিত হ'ব আৰু যাৰ ফলত ভাৰতৰ সামৰিক ঐতিহ্য তথা কাৰ্যকৰী উৎকৰ্ষতা পোনপটীয়াকৈ জনসাধাৰণৰ মাজলৈ আহিব। জগতপুৰাৰ মহল ৰোডত হাজাৰ হাজাৰ দৰ্শকৰ সন্মুখত সেনাই নিজৰ অনুশাসন, শক্তি আৰু আধুনিক সামৰিক ক্ষমতাৰ প্ৰদৰ্শন কৰিব। পুৱা ১০ বজাৰ পৰা আৰম্ভ হ'বলগীয়া এই পেৰেড অনুষ্ঠানত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, ৰাজস্থানৰ মুখ্যমন্ত্ৰী ভজনলাল শৰ্মা আৰু সেনাপ্ৰধান, জেনেৰেল উপেন্দ্ৰ দ্বিৱেদীয়ে অংশগ্ৰহণ কৰিব। পেৰেডৰ চূড়ান্ত প্ৰস্তুতি ইতিমধ্যে সম্পূৰ্ণ হৈছে আৰু অনুষ্ঠানটোৰ বাবে কঠোৰ নিৰাপত্তাৰ ব্যৱস্থা কৰা হৈছে।

০০০০০০০০০

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি মাস্কাটৰ ছুল্টান কাবুছ বন্দৰত ভাৰতীয় নৌসেনাৰ জাহাজ কৌন্দিন্যৰ নাবিকৰ দলটোক আদৰণি জনায়। তেওঁ এই আগমনক কেৱল এক যাত্ৰাৰ উৎসৱ নহয় বৰঞ্চ এক গভীৰ সভ্যতাৰ উদযাপন বুলি অভিহিত কৰে। বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী শ্ৰীসোণোৱালে কয়, যে পৰম্পৰাগতভাৱে নিৰ্মিত এই জাহাজখন ওমানৰ ৰাজধানীত উপস্থিত হোৱাটো ঐতিহাসিক তথা বাণিজ্যিক সম্পৰ্ক আৰু পাৰস্পৰিক সন্মানেৰে শক্তিশালী কৰা ভাৰত-ওমানৰ মাজৰ চিৰস্থায়ী বন্ধুত্বৰ প্ৰতীক। পোৰবন্দৰৰ পৰা প্ৰথম যাত্ৰা সম্পূৰ্ণ কৰাৰ পাছত আই এন এছ ভি কৌন্দিন্য মাস্কাটত উপস্থিত হয়, যিয়ে দুখন দেশৰ সামুদ্ৰিক ঐতিহ্যৰ এক উল্লেখযোগ্য মুহূৰ্ত চিহ্নিত কৰিছে। এই যাত্ৰাই ৫ হাজাৰ বছৰতকৈও অধিক সময় ধৰি চলি থকা সামুদ্ৰিক, সাংস্কৃতিক তথা সভ্যতামূলক সংযোগৰ ওপৰত আলোকপাত কৰিছে। ভাৰত আৰু ওমানৰ কূটনৈতিক সম্পৰ্কৰ ৭০ বছৰ সম্পূৰ্ণ হোৱাৰ সময়তে এই যাত্ৰাই বিশেষ ভূমিকা পালন কৰিছে।

কিম্বদন্তি ভাৰতীয় নাবিক কৌন্দিন্যৰ নামেৰে নামকৰণ কৰা এই জাহাজত ভাৰতৰ থলুৱা সামুদ্ৰিক জ্ঞান, কাৰুকাৰ্য আৰু বহনক্ষম জাহাজ নিৰ্মাণ পদ্ধতি প্ৰদৰ্শন কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৰিকল্পনা কৰা এই প্ৰকল্পটোক স্থপতিবিদ, পুৰাতত্ত্ববিদ, পৰম্পৰাগত জাহাজ নিৰ্মাণৰ আৰ্হি আৰু জাহাজ নিৰ্মাতাসকলৰ সহযোগত ভাৰতীয় নৌসেনাৰ দ্বাৰা কাৰ্যকৰী কৰা হৈছে।

শ্ৰীসোণোৱালে এই জাহাজখনক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শী নেতৃত্বৰ এক উজ্বল নিদৰ্শন বুলি অভিহিত কৰি ভাৰতীয় প্ৰাচীন জাহাজ নিৰ্মাণ প্ৰতিভাক পুনৰুজ্জীৱিত কৰাটো তেওঁৰ সংকল্প বুলি প্ৰকাশ কৰে। এই উপলক্ষে বন্দৰত আয়োজিত অনুষ্ঠানত ওমানৰ ঐতিহ্য আৰু পৰ্যটন মন্ত্ৰালয়ৰ উপ-সচিব অজ্জ্যান অল বুজাইডিৰ লগতে ভাৰতীয় নৌসেনা, ওমানৰ ৰ'য়েল

নেভী, ৰ'য়েল ওমান উপকুল আৰক্ষী বাহিনীসহ অন্যান্য বিশিষ্টসকল উপস্থিত থাকে। ওমানৰ ভাৰতীয় সম্প্ৰদায় তথা ছাত্ৰ-ছাত্ৰীৰ এটা দলে ভাৰত আৰু ওমানৰ সাংস্কৃতিক প্ৰদৰ্শনেৰে জাহাজখনক আদৰণি জনায়।

০০০০০০০০

ছিংগাপুৰত কালিৰে পৰা জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ শুনানি অনুষ্ঠিত হৈছে। শুনানিৰ সময়ত উপকূলৰক্ষী আৰক্ষীৰ সহকাৰী পৰিদৰ্শক ডেভিড লীমে কয়, যে জুবিন গাৰ্গৰ পানীত ডুবি মৃত্যু হৈছিল আৰু পানীত নমাৰ পূৰ্বে শিল্পীগৰাকীয়ে লাইফ জেকেট পৰিধান কৰিবলৈ অস্বীকাৰ কৰিছিল। তেওঁ লগতে সাগৰত সাঁতোৰাৰ পূৰ্বে য়টত সুৰাৰ পাৰ্টী হোৱা বুলি ন্যায়ালয়ক অৱগত কৰে। মৃত্যুৰ সময়ত জুবিন গাৰ্গ সুৰাসক্ত আছিল বুলি আৰক্ষী বিষয়াগৰাকীয়ে মন্তব্য কৰে। তেওঁ লগতে জুবিন গাৰ্গৰ শৰীৰত অত্যাধিক মাত্ৰাত সুৰাৰ পৰিমাণ পোৱা বুলি জানিবলৈ দিয়ে। আৰক্ষীয়ে য়টত থকা সাক্ষীৰ কেতবোৰ ভিডিঅ' আদালতত দাখিল কৰে।

০০০০০০০

বাক্সা জিলাৰ কাৰহানাত থকা শ্ৰীশ্ৰীকৃষ্ণ সত্ৰত কালিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে শ্ৰীশ্ৰীকৃষ্ণ সত্ৰ মাঘ সভা মহোৎসৱ অনুষ্ঠিত হৈছে। এই উপলক্ষে কালি ভাগৱত স্থাপন, মুখ্য তোৰণ স্থাপন, স্মৃতি তৰ্পন, মন্দিৰৰ দুৱাৰ মুকলি, গছ-পুলি ৰোপণ, শ্ৰীশ্ৰীৰাধাকৃষ্ণৰ প্ৰতিমূৰ্তি স্থাপন, ভাগৱত পাঠ, হোম যজ্ঞ আদি কাৰ্যসূচী অনুষ্ঠিত হয়। আজি পুৱাৰ ভাগত ভাগৱত ভ্ৰমণ কাৰ্যসূচীৰে মহোৎসৱৰ দ্বিতীয় দিনৰ কাৰ্যসূচী আৰম্ভ হৈছে।

০০০০০০০

ডেৰিল মিটছেলৰ ১৩১ ৰানৰ ইনিংছৰ সহায়ত সহজ জয়েৰে নিউজিলেণ্ডে ভাৰতৰ বিৰুদ্ধে এদিনীয়া শৃংখলাত সমতা স্থাপন কৰিছে। ৰাজকোটত যোৱানিশা অনুষ্ঠিত তিনিখনীয়া শৃংখলাৰ দ্বিতীয়খন খেলত আলহী দলটোৱে ৭ উইকেটত জয়লাভ কৰে। ইয়াৰ পূৰ্বে প্ৰথমে বেটিং কৰিবলৈ আমন্ত্ৰণ লাভ কৰি ভাৰতে নিৰ্ধাৰিত ৫০ অভাৰত ৭টা উইকেট হেৰুৱাই ২৮৪ ৰান কৰিছিল। কে এল ৰাহুলে সৰ্বাধিক ১১২ ৰান কৰি আউট নোহোৱাকৈ থাকে। অধিনায়ক শুভমন গিলে ৫৬ ৰান কৰে। প্ৰত্যুত্তৰত নিউজিলেণ্ডে ৪৭ অভাৰ আৰু ৩টা বলত ডেৰিল মিটছেলৰ শতকীয় ইনিংছৰ লগতে উইল ইয়ঙৰ ৮৭ ৰানৰ সহায়ত তিনিটা উইকেট হেৰুৱাই বিজয় লক্ষ্যত উপনীত হয়। মিটছেলক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়। শৃংখলাৰ অন্তিম খেলখন অহা ১৮ তাৰিখে ইন্দোৰত অনুষ্ঠিত হ'ব।

০০০০০০০

মহিলা প্ৰিমিয়াৰ লীগৰ এখন খেলত যোৱা নিশা দেলহী কেপিটেলছে ইউ পি ৱাৰিয়াৰ্জক ৭ উইকেটত পৰাজিত কৰে। নৱী মুম্বাইৰ ডি ৱাই পাটিল ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত প্ৰথমে বেটিং কৰিবলৈ নামি ৱাৰিয়াৰ্জে নিৰ্ধাৰিত ২০ অভাৰত ৮ উইকেট হেৰুৱাই ১৫৪ ৰান সংগ্ৰহ কৰে। অধিনায়ক মেগ লেনিঙে সৰ্বাধিক ৫৪ আৰু হাৰলিন দেউলে ৪৭ ৰান কৰে।

প্ৰত্যুত্তৰত দেলহীয়ে মাত্ৰ ৩টা উইকেট হেৰুৱাই বিজয় লক্ষ্যত উপনীত হয়। লিজেল লীয়ে সৰ্বাধিক ৬৭ ৰান কৰে। ৩৬ ৰান কৰাৰ লগতে ৪ অভাৰত মাত্ৰ ১৬ ৰানৰ বিনিময়ত দুটা উইকেট দখল কৰা শেফালী বাৰ্মাক শ্ৰেষ্ঠ খেলুৱৈ ৰূপে নিৰ্বাচিত কৰা হয়।

প্ৰতিযোগিতাত আজি ইউ পি ৱাৰিয়াৰ্জ মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব।

০০০০০০০

দৰং জিলাৰ প্ৰাথমিক শিক্ষা বিভাগৰ অৱসৰপ্ৰাপ্ত বিদ্যালয় উপপৰিদৰ্শক তাৰেণী চৰণ নাথৰ কালি সন্ধিয়া মঙলদৈৰ লাচিত নগৰৰ নিজা বাসগৃহত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৬৯বছৰ।

০০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত ঘন কুঁৱলী পৰাৰ আৰু পাছলৈ বতৰ আংশিকভাৱে ডাৱৰীয়া হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৭ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৩ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে বতৰ শুকান আৰু অৰুণাচল প্ৰদেশৰ কিছু অংশত পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০০

**সমাপ্ত**